**বহক্ষম বিকাশৰ বাবে -- অবিৰাম বিকাশৰ অবিৰত খোজ....**

**খণ্ড ৭**

**ফ্লৰাইড আৰ্চেনিক নিৰ্মূল কৰিম এয়া হ'ব আমাৰ প্ৰতিজ্ঞা**

**ড° জগদীন্দ্ৰ ৰায়চৌধুৰী**
**উপাধ্যক্ষ্য, বি. বৰুৱা কলেজ**

**চৰিত্ৰসমূহ**

১. শিক্ষক
২. ৰমেশ ছাত্ৰ
৩. স্নেহা ছাত্ৰী
৪. প্ৰণামী ছাত্ৰী
৫. প্ৰণামীৰ মাক
৬. স্নেহাৰ দেউটাক
৭. প্ৰধান শিক্ষক
৮-৯. অভিভাৱক
১০. ডাক্তৰ

**শীৰ্ষক গীত + ঘোষণা**

## ফ্লৰাইড আৰ্চেনিক নিৰ্মূল কৰিম এয়া হ'ব আমাৰ প্ৰতিজ্ঞা

ড° জগদীন্দ্ৰ ৰায়চৌধুৰী
উপাধক্ষ্য, বি. বৰুৱা কলেজ

**(প্ৰথম দৃশ্য)**
**(শ্ৰেণী কোঠাত ছাত্ৰ - ছাত্ৰীৰ উপস্থিতিৰ আভাস)**

**শিক্ষক ঃ** ছাত্ৰ - ছাত্ৰী সকল যোৱাকালি তোমালোকক বিজ্ঞানৰ প্ৰগতিৰ কিছু কথা অৱগত কৰিছিলো। পিছে আজি কিছু বহল ভাৱে আন কথা কবলৈ ওলাইছো।

**ৰমেশ** (এগৰাকী ছাত্ৰ)ঃ ছাৰ আপুনি কৈছিল বিজ্ঞানে হেনো সকলো কথা আমাৰ হাতৰ মুথিলৈ লৈ আহিছে ।
**শিক্ষকঃ** এৰা কৈছিলো। বিজ্ঞানী সকলে পৃথিবীৰ বাহিৰে আন গ্ৰহৰ বিভিন্ন কথা উপলব্ধ কৰিছে, জীৱৰ অনুসন্ধান বিছাৰিছে ১৯৬৯ চনতে চন্দ্ৰত পদাৰ্পণ কৰিছে মানুহে।
**ৰমেশঃ** কিন্তু, আপুনি ক'ব বিচৰা কথাটো কি চাৰ?
**শিক্ষকঃ** অ! সেইটো হ'ল তোমালোকৰ বহুতৰ হাতে হাতে থকা স্মাৰ্ত ফোন। ইনটাৰনেটৰ সংযোগ কৰিলেই দেখোন গুগুলত বিচাৰিলে সকলোখিনি চাব পাৰা। বিজ্ঞানৰ ন ন আৱিস্কাৰৰ লগতে যি বিচৰা ইয়াৰ সম্যক জ্ঞানখিনি পাব পাৰা।
**ৰমেশঃ** হয় চাৰ। আপুনি কোৱা অনুসৰি আমিয়ো কথাটো গম পাইচো। পিছে, এনে সুবিধা লবৰ আমি দেউতা বা মাৰ ফোনটো খুজি লাগতিয়াল কথাটো জানিব পাৰো।
**শিক্ষকঃ** যিহেতু তোমালোকে কিছু পৰিমানে ব্যৱহাৰ কৰিছা, গতিকে মই কোৱা কথাটো নিশ্চয় উপলব্ধি কৰিছা। পিছে, মই তোমালোকক আন এটা কথা ক'বহে বিচাৰিছো।
**ৰমেশঃ** কথাটো কি ছাৰ?
**শিক্ষকঃ** এতিয়ালৈকে দুই তিনিদিন ধৰি তোমালোকক বিজ্ঞানৰ ন ন উদ্ভাৱনৰ কথা জনাই আহিছো লগতে বৰ্তমান নেন'টেক্নলজিৰ দ্বাৰা কিদৰে বিজ্ঞানৰ ন-প্ৰযুক্তি ধাৰা অব্যাহত আছে, সকলো জনালো কিন্তু বিজ্ঞানৰ এই প্ৰগতিৰ এটি পশ্চাদমুখি সত্যতাহে তোমালোকক প্ৰত্যক্ষ কৰাম বুলি ভাবিছোঁ ।
**ৰমেশঃ** সেইয়ানো কি ছাৰ!
**শিক্ষকঃ** ( সন্মুখত বহি থকা ছাত্ৰ- ছাত্ৰীলৈ উদ্দেশ্য কৰি) পলাশ, জিতেন, প্ৰণামী, স্নেহা সকলোৱে শুনা,অহা দেওবাৰে আমি এঠাইলৈ যাম সকলোৱে ঘৰৰ পৰা অণুমতি ল'ৱা আৰু টিফিন লৈ আহিবা
**স্নেহাঃ** আমি ক'লৈ যাম ছাৰ?
**শিক্ষকঃ** আমাৰ গুৱাহাটীৰ ওচৰত থকা মৰিগাঁও অঞ্চলত পানী যথেষ্ঠ দুষিত আৰু ইয়াৰ দ্বাৰা

কি বেমাৰ হয় তাৰ প্ৰমাণ দিবলৈ তোমালোকক লৈ যাম।

**স্নেহাঃ** আমাৰ লগত আন কোনোবা যাব নেকি চাৰ?

**শিক্ষকঃ** আমাৰ বাহিৰেও এগৰাকী ডাক্তৰ যাব।

**স্নেহাঃ** ভালেই হ'ব। আমি তেখেতৰ পৰা প্ৰকৃত কথাবোৰ জানিব পাৰিম।

**(ছাত্ৰ-ছাত্ৰী সকলৰ মাজত কথাৰ বুৰ-বুৰনি, হাঁহি-ফূৰ্তি চিয়ঁৰ-বাখৰ কৰি শ্ৰেণীৰ পৰা প্ৰস্থান)**

**(দ্বিতীয় দৃশ্য)**

**(প্ৰণামীৰ ঘৰৰ কলিং বএলৰ শব্দ আৰু দুৱাৰ খোলাৰ শ ব্দ)**

**মাকঃ** আহি পালা মাজনী!

**প্ৰণামীঃ** হয় মা! (মুখেৰে আনন্দৰ ভাৱ - লা, লা, ........)

**মাকঃ** কি হ'ল? আজি দেখোন বৰ ফূৰ্তি।

**প্ৰণামীঃ** জানা মা, আমাক স্কুলৰ পৰা এঠাইলৈ ফুৰাবলৈ নিব লগতে পানীৰ পৰা কি বেমাৰ হয় সেয়া দেখাব।

**মাকঃ** হয় নেকি! পিছে, কোন কোন যাব?

**প্ৰণামীঃ** আজি ছাৰে ঘৰত সুধিব কৈছে মা, অ' ! মা! মোক যাব দিবা নে?

**মাকঃ** ৰ'বা চোন। দেউতাৰাক নোসোধাকৈ মই কি ক'ম! দেউতাৰাই যাব দিলে নিশ্চয় যাবা।

**প্ৰণামীঃ** দেউতাই কিবা ক'লে, তুমি কিন্তু বুজাব লাগিব। মই কিন্তু যামেই।

**মাকঃ** বাৰু! যোৱাতো পিছে পৰে হ'ব, প্ৰথমতে তুমি হাঁত মুখ ধুই ভাত খাই লোৱা।

**প্ৰণামীঃ** মা, মই কিন্তু যামেই।

**মাকঃ** উস! মই যি কৈছো আগতে তাকে কৰা।

**(প্ৰণামীয়ে ভাত খাই শুই পৰে গধুলি হোৱা বাবে তাইঁক জগায় আৰু কোনোবা ঘৰত অহাৰ কলিং বেলৰ শ্বদ ইতিমধ্যে দেউতাক আহি পাইছে)**

**(দুৱাৰ খোলাৰ শব্দ)**

**মাকঃ** আহক, আহক।

**স্নেহাৰ দেউতাকঃ** এখেত অফিচৰ পৰা আহি পাইছে নে?

**মাকঃ** অলপ আগতে আহি পাইছে। আপুনি বহক মই মাতি দিছোঁ।

**প্ৰণামীৰ দেউতাকঃ** কওকচোন। মই পিছে আপোনাক ঠিক ধৰিব পৰা নাই।

**স্নেহাৰ দেউতাকঃ** মই আপোনাৰ ছোৱালীৰ লগৰ স্নেহাৰ দেউতাক। হঁহতক হেনো স্কুলৰ পৰা ক'ৰবালৈ নিব! আপুনি কি ভাবিছে?

**প্ৰণামীৰ দেউতাকঃ** মই অহাৰ পিছত, এওঁ কৈছে। তাইক সুধি চাঁও।

**(ড্ৰইং ৰুমৰ পৰা অলপ চিঁয়ৰি - হেৰা! প্ৰণামী উঠিচেনে?)**

**প্ৰণামীঃ** মোক মাতিছিল দেউতা!

**দেউতাঃ** অ! এখেত স্নেহাৰ দেউতাক। তোমালোকক স্কুলৰ পৰা যে মৰিগাঁওলৈ নিব তাৰ বাবে আলোচনা কৰিব আহিছে।

**স্নেহাৰ দেউতাকঃ** বাৰু, প্ৰণামী! তুমি যাবা নহয় নে? তুমি যদি যোঁৱা মই স্নেহাকো পঠিয়াম। কথাটো জানিবৰ বাবে ইয়ালৈ আহিছো।

**প্ৰণামীৰ দেউতাকঃ** মই অফিচৰ পৰা অহাৰ পিছত প্ৰণামিৰ মাকে গোতেইখিনি কথা কৈছে পিছে, আমি স্কুলৰ লগত যোগাযোগ কৰিহে সকলো নিশ্চিত ক্ৰিব পাৰিম।

**স্নেহাৰ দেউতাকঃ** আপুনি ঠিকেই কৈছে। সকলো কথা খৰচি মাৰি জানি লোৱাৰ পাছত কথাটো বিবেচনা কৰাতো ঠিক। বাৰু মই এতিয়া আহিছো।

**মাকঃ** মই চাহ আনিছোৱেঁই, খাই যাওক।

**স্নেহাৰ দেউতাকঃ** নহলেঁও হ'লহেতেন। বাৰু আনিছে যেতিয়া খাই যাঁও।

**(স্নেহাৰ দেউতাকে বিদায় সম্ভাষণ জনাই গুচি যায়)**

**দেউতাঃ** কাইলৈ অফিচলৈ যোৱাৰ আগতে স্কুলত এবাৰ সোমাই যাম।

**(তৃতীয় দৃশ্য)**

**প্ৰণামীৰ দেউতাকঃ** সোমাব পাৰোনে?

**প্ৰধাণ শিক্ষকঃ** আহক।

**দেউতাকঃ** মোৰ ছোৱালী আপোনাৰ স্কুলত প্ৰঢ়ে। সিহঁতক মৰিগাঁৱলৈ নিয়া কথা যে আছে সেই বিষয়ে জানিবলৈ আহিছো।

**প্ৰধান শিক্ষকঃ** হয়। আপুনি আহি ভালেই হ'ল। যিহেতু মাহৰ দ্বিতীয় সপ্তাহত শনিবাৰে অফিচবোৰ বন্ধ থাকে সেয়েহে অভিভাৱক সকলৰ মাজত এখন সভা আহ্বান কৰিম আৰু তাত আতাইখিনি কথা বুজাই দিম। আপুনিও আহিব।

**দেউতাকঃ** ঠিক আছে বাৰু! আজি বেছি সময় থাকিব নোৱাৰো। অফিছলৈ যাব লাগিব।

**প্ৰধান শিক্ষকঃ** ধন্যবাদ। আপুনি নহাকে নাথাকিব কিন্তু।

**দেউতাকঃ** আহিম। নিশ্চয় আহিম।

**(দেউতাক যোৱাৰ সময়ত চকিৰ শব্দ আৰু লগে লগে স্কুলৰ ঘন্টা মৰাৰ শব্দ দূৰৰ পৰা ভাহি আহিছে। স্কুল আৰম্ভ হোৱাৰ জাননী)**

## (চতুৰ্থ দৃশ্য)

**(অভিভাৱক সকলৰ মাজত গুণগুণনি। প্ৰধান শিক্ষকৰ প্ৰৱেশ)**

**প্ৰধান শিক্ষকঃ** নমস্কাৰ, আপোনালোক সকলোকে আদৰনি জনাইছো। আপোনালোকে নিশ্চয় জানে যে বিজ্ঞানৰ প্ৰগতি বৰ্তমাণে শিখৰ চুইছে কিন্তু প্ৰকৃত অৰ্থত কিছু অতি লাগতিয়াল কথাৰ বাবে আমি পশ্চাদ গমন কৰিব লগা হৈছে। সেই উদ্দেশ্য আগত ৰাখি আমাৰ সকলোৰে জীৱণী শক্তি পানীৰ দ্বাৰা উদ্ভাৱণ হোৱা বেমাৰৰ কথা চাক্ষুষ দিশত দেখুৱাবলৈ ছাত্ৰ-ছাত্ৰী সকলক নিবলৈ ওলাইছো।

**অভিভাৱকঃ** শিক্ষক - শিক্ষয়ত্ৰীৰ ওপৰি আণ কোনোবা যাবনে?

**প্ৰধান শিক্ষকঃ** ডাক্তৰ এগৰাকী যাব, তেখেতে ছাত্ৰ-ছাত্ৰী সকলক বৈজ্ঞানীক দৃষ্টিৰে কথাবোৰ বুজাব।

**আন এগৰাকি অভিভাৱকঃ** গাড়ীখন কিন্তু ভাল ল'ৰ লগতে ড্ৰাইভাৰ জন ভাল হ'ব লাগিব। আপোনালোকে নজৰ ৰাখিব যাতে বেয়া বস্তু নাখায়।

**প্ৰধান শিক্ষকঃ** আপোনালোকে নিশ্চিত থাকক।

**অভিভাৱকঃ** আপোনালোকে যিহেতু এটা ভাল কামলৈ আগবাঢ়িছে, ইয়াত আমাৰ কাৰো আপত্তি নাই। মাথোঁ সা ৰধানে সকলো পৰ্য্যবেক্ষণ কৰিলেই হ'ল। আমি তেন্তে উঠো।

**(অভিভাৱক সকলৰ মাজত কথাৰ বুৰবুৰনিৰ লগতে প্ৰস্থানৰ শব্দ)**

## ( পঞ্চম দৃশ্য)

**(স্কুলৰ চৌহদত দুই এবাৰ বাছৰ হৰ্ণ বজোৱাৰ শব্দ, চাত্ৰ-চাত্ৰী সকলৰ মাজত উদুলি - মুদুলিৰ শব্দ)**

**প্ৰধান শিক্ষক** (মাইক ব্যৱহাৰ কৰি) ছাত্ৰ- ছাত্ৰী সকল তোমালোক সকলোৱে বাছত উঠি নিজ নিজ আসনত বহি লোৱা।

**(বাছত উঠাৰ বাবে ছাত্ৰ-ছাত্ৰীৰ মাজত কথোপকথনৰ লগতে হাঁহি ভাহি অহাৰ শব্দ)**

**প্ৰধান শিক্ষকঃ** তোমালোক সকলোৱে ভালদৰে বহিছা নহয়!

ছাত্ৰ-ছাত্ৰী সকলে একেলগে চিঞৰ 'বহিছো'।

**প্ৰধান শিক্ষকঃ** ঠিক আছে। আমাৰ গাড়ী এতিয়া চলিব আৰম্ভ কৰিব।

**(গাড়ী চলোৱাৰ আৰম্ভনিৰ শব্দ। গাড়ী চলি থকাৰ শব্দ। একেলগে ছাত্ৰ-ছাত্ৰীৰ সমৱেত সংগীত। চাৰে যাহা সে অচ্ছা, হিন্দুস্তান হামাৰা........)**

**(কিছু সময়ৰ পিছত গাড়ী ৰখোৱাৰ শব্দ)**

**প্ৰধান শিক্ষকঃ** এতিয়া শাৰী পাতি এজন এজনকে গাড়ীৰ পৰা নামি সেই স্কুলখনৰ গছৰ তলৰ

ঠাইত ৰোৱা গৈ।

**(ছাত্ৰ-ছাত্ৰী সকলে হাঁহি ধেমালি কৰি গাড়ীৰ পৰা নমাৰ শব্দ)**

**প্ৰধান শিক্ষক** (মাইক ব্যৱহাৰ কৰি)ঃ ছাত্ৰ-ছাত্ৰী সকল মই কৈছিলো নহয় আমাৰ লগত এয়া আহিছে ড° ৰাজেন পাঠক।

**(ছাত্ৰ-ছাত্ৰী সকলৰ মাজৰ পৰা একেলগে চিঞৰ - নমস্কাৰ)**

এখেতে তোমালোকক এতিয়া বেমাৰৰ কথাটো বুজাব।

**ডাক্তৰঃ** মৰমৰ ছাত্ৰ-ছাত্ৰী সকল। তোমালোকে নিশ্চয় জানিছা, কিয় তোমালোকক ইয়ালৈ আনিছো। এফালে আমি বিজ্ঞানৰ ন ন আৱিস্কাৰৰ দ্বাৰা এখোজ দুখোজ কৈ ওপৰলৈ উঠি আছো আৰু আনপিনে আমি পিছুঁৱাই আহিছো। পানী অতি আৱশ্যক সকলো জীৱৰে। এই পানীত থকা দুটা ৰাসায়নিক পদাৰ্থই কি আহুকালত  পেলাইছে।

**ছাত্ৰ (১)ঃ** এই দুটাৰ নাম কি ছাৰ?

**ডাক্তৰঃ** এটা হ'ল ফ্ল'ৰাইড আৰু আনটো আৰ্চেনিক।

**ছাত্ৰ (২)ঃ** এই দুইবিধে কিনো বেমাৰ কৰে?

**ডাক্তৰঃ** ফ্ল'ৰাইডৰ দ্বাৰা দাঁতৰ আলু বোৰ নষ্ট হয়  । আনপিনে আৰ্চেনিকৰ বাবে চালত বিভিন্ন বেমাৰ দেখা দিয়ে লগতে হাঁও-ফাঁও বা বৃক্কত কৰ্কট ৰোগো হ'ব পাৰে।

**ছাত্ৰী (১)ঃ** এই ৰাসায়নিক পদাৰ্থ দুটাৰ কথা অলপ বহল ভাবে জনাব নে?

**ডাক্তৰঃ** পৃথিৱীত পোৱা ১৩ নম্বৰ সংখ্যাত পৰে ফ্ল'ৰাইড মৌলিক পদাৰ্থ হিচাপে। এয়া হাড় দাঁতত জমা হয় যদিও প্লাজমাৰ পৰা তেজলৈ প্ৰবাহিত হয়। অতি কম পৰিমানৰ ফ্ল'ৰাইডে যদিও দাঁত বাহিৰৰ পৰা ৰক্ষা কৰে কিন্তু অধিক পৰিমাণে ইয়াৰ বিৰূপ প্ৰক্ৰিয়া কৰে।

**ছাত্ৰী (২)ঃ** পানীত এয়া কিদৰে মিলিত হয়?

**ডাক্তৰঃ** মানুহে ব্যৱাহাৰ কৰা ফাৰ্টিলাইজাৰ, কাৰখানাৰ পৰা নিৰ্গত সাৰযুক্ত পানী আদি ইয়াৰ উৎস। প্ৰকৃত অৰ্থত ইয়াৰ বাবে মানৱ জাতিয়ে দোষী। এফালে যিদৰে মানবেঁই বিজ্ঞানৰ ন ন উদঘাটন কৰিছে আৰু অন্যদিশে পশ্চাদমুখী গতি কৰিছে।

**ছাত্ৰ (২)ঃ** বাৰু, চাৰ! আপুনি আন এবিধ মৌলিক পদাৰ্থৰ কথা উল্লেখ কৰিছিল, সেয়া কি?

**ডাক্তৰঃ** তুমি ঠিকেই কৈছা। সেইবিধ পদাৰ্থ হ'ল আৰ্চেনিক। এয়া যে অকল আমাৰ ঠাইতে হৈছে তেনে নহয়, ভাৰত বৰ্ষৰ আনঠাইত বা আমাৰ চুবুৰিয়া দেশ চীন বা বাংলাদেশতো যঠেষ্ট পৰিমাণে দেখা যায়।

**ছাত্ৰ (৩)ঃ** আৰ্চেনিকৰ বিষয়ে অলপ বহল ভাবে ক'বনেকি ছাৰ?

**ডাক্তৰঃ** পিৰিয়ডিক টেবুলত আৰ্চেনিকৰ স্থান ৩৩। আৰ্চেণিক অ'তি সহজে তেজৰ লগত মিলিত হৈ কোষ বা কলালৈকে সম্প্ৰসাৰিত কৰে। আৰ্চেণিকে তেজৰ হিম'গ্লবিনৰ গ্ল বিন ভাগটোত লগ লাগি ২৪ ঘণ্টাৰ ভিতৰত তেজৰ লগত মিলিত হৈ পৰে। ইয়াৰ দ্বাৰা যকৃত, বৃক্ক, স্প্লীন, হাঁও-ফাঁও আৰু শেষত মাংসপেশী আৰু স্নায়ু কলাত ক্ৰীয়া কৰে।

**ছাত্ৰী (১)ঃ** ছাৰ, আৰ্চিণিকে যে ক্ৰীয়া কৰিছে সেয়া আমি কেনেকৈ গম পাম?

**ডাক্তৰঃ** প্ৰথমতে ছালত দাগ দেখা দিয়ে লগতে ছালখন ডাঠ হোৱা দেখা যায়। মানুহৰ অতি লাগতিয়াল অংগবোৰত বিভিন্ন ৰোগে দেখা দিব। মুঠতে এই দুইবিধ পদাৰ্থ অতি সহজে পানীৰ লগত মিলিত হৈ ভূগৰ্ভলৈ গতি কৰে অঞ্চল বিশেষে সেই পানী গ্ৰহণ কৰি বিভিন্ন বেমাৰৰ সন্মুখীন হ'ব লগাত পৰে।
বাৰু! তোমালোকে মোৰ কথা খিনি বুজি পাইছানে?

**(ছাত্ৰ-ছাত্ৰীৰ চিঁয়ৰ -- বুজি পাইছো ছাৰ)**

**প্ৰধান শিক্ষকঃ** (মাইক লৈ) ছাত্ৰ-ছাত্ৰী সকল, ডাক্তৰ ছাৰে কোৱা কথা বোৰ বুজি পালা নে?

**ছাত্ৰ-ছাত্ৰী** (একেলগে) পালো ছাৰ।

**প্ৰধান শিক্ষকঃ** এতিয়া মই সেইসকল মানুহৰ কাষলৈ লৈ যাম যাৰ শৰীৰত তেনেবোৰ ৰোগ দেখা পাবা। ইতিমধ্যে গাঁওবুঢ়াক কৈ মই তেনে ৰোগত ভোগা মানুহক এইখন স্কুলতে গোট খাবলৈ কৈছিলো। ইতিমধ্যে তেওঁলোক ইয়াত উপস্থিত হৈছে। তোমালোকে শাৰী পাতি এজন এজন কৈ ভালদৰে পৰ্যবেক্ষণ কৰি যাবা। (অলপ চিঁয়ৰি) সকলোৱে মোৰ কথা খিনি বুজি পাইছানে?

**ছাত্ৰ-ছাত্ৰীঃ** (চিঁয়ৰ) পাইছো ছাৰ!

**(ছাত্ৰ-ছাত্ৰী সকলৰ মাজত উহ! আহ! চিঃ! আদি বাক্য উচ্ছাৰণ কৰি অলপ হুলস্থূলৰ মাজেৰে আগবাঢ়ি)**

**প্ৰধান শিক্ষকঃ** (মাইকত) ছাত্ৰ-ছাত্ৰী সকল এয়া দেখিলানে?

**ছাত্ৰ-ছাত্ৰী ঃ** (সকলোৱে একেলগে চিঞৰি) দেখিলো ছাৰ!

**প্ৰধান শিক্ষকঃ** কেনে লাগিল?

**ছাত্ৰ-ছাত্ৰী ঃ** বিৰাট বেয়া লাগিছে। এঁওলোকক এনে অৱস্থাৰ পৰা উদ্ধাৰ কৰিব নোৱাৰিনে?

**প্ৰধান শিক্ষকঃ** তোমালোকে কি ভাবা?

**ছাত্ৰ-ছাত্ৰীঃ** (একেলগে চিঞৰে) আমি এই গাঁওৰ মানুহক ফ্লো'ৰাইদ আৰু আৰ্চেনিক মুক্ত কৰিম। চৰকাৰক আৱেদন কৰিম। ছাৰ, আপুনি আমাক সহায় কৰিব।

**প্ৰধান শিক্ষকঃ** (সকলো শিক্ষকে হাততালি দিয়ে) আমি উপস্থিত থকা সকলো শিক্ষক-শিক্ষয়ত্ৰীয়ে তোমালোকৰ উৎসাহক আদৰিঁছো। আমি তোমালোকক বাট দেখুৱাই লৈ যাম।

**ছাত্ৰ-ছাত্ৰীঃ** (একেলগে চিঞৰে) ধন্যবাদ ছাৰ।

**ডাক্তৰঃ** এতিয়া বুজিলানে ছাত্ৰ-ছাত্ৰী সকল কিয় মই প্ৰথমতে উল্লেখ কৰিছিলো যে যদিও বিজ্ঞানে প্ৰযুক্তি বিদ্যাৰ উচ্চ শীখৰ পাইছে, প্ৰকৃততে আমি কিদৰে পিছুৱাই আছো। সাধাৰণ পানীতোপা আমি বিশুদ্ধকে খাব পৰা নাই। ইয়াতকৈ আৰু দুখৰ কথা কি হ'ব পাৰে?

**ছাত্ৰ-ছাত্ৰীঃ** হয় ছাৰ (একেলগে চিঞৰে)

**প্ৰধান শিক্ষকঃ** ব'লা এতিয়া শাৰী পাতি গাড়ীত উঠা।

**(ছাত্ৰ- ছাত্ৰী সকলে একেলগে গীত গায় - আমি আমাৰ ৰাজ্যৰ পৰা ফ্লু'ৰাইড আৰু আৰ্চেনিক দূৰ কৰিম)**

গাড়ীৰ পৰা নমাৰ পিছত --

**প্ৰধান শিক্ষকঃ** ছাত্ৰ-ছাত্ৰী সকল। শুনা তোমালোকক এতা কথা কঁও যে এই ফ্ল'ৰাইড আৰু আৰ্চেনিক পৃঠিৱীজুৰি বিভিন্ন দেশত দেখা গৈছে আৰু ইয়াৰ ভিতৰত চীন, মেকসিকো, আৰ্জেন্টিনা, বাংলাদেশ ইত্যাদি। ভাৰতবৰ্ষৰ ভিতৰত আটাইতকৈ বেছি হোৱা ৰাজ্য হ'ল পশ্চিম বংগ। অসমতো কেবাখনো জিলাত ইয়াৰ মাত্ৰা অধিক। .. বাৰু এতিয়া তোমালোক ঘৰাঘৰি যোৱাগৈ।

**ছাত্ৰ-ছাত্ৰীঃ** ভাল ছাৰ। ধন্যবাদ।

..............................................................................................................................................

**প্ৰশ্ন**

১. খোৱা পানীত ফ্ল'ৰাইড কি কি উৎসৰ পৰা জমা হয়?

-- কৃত্ৰিম সাৰ আৰু কল - কাৰখানাৰ ৰাসায়নিক আৰৰ্জনা।

২. আৰ্চেনিক মিহলি পানী খালে কি কি বেমাৰ হ'ব পাৰে?

-- যকৃৎ, বৃক্ক, প্লীহা বা স্প্লীন, হাঁও ফাঁও, মাংপেশী আৰু স্নায়ুৰ ৰোগ।

..............................................................................................................................................